সাধাৰণ অৰ্থত বজাৰ মানে হ'ল এক নিৰ্দিষ্ট ঠাই য'ত কিনোতা আৰু বেচোঁতাৰ সমাৱেশ ঘটে আৰু বস্তুৰ ক্ৰয়-বিক্ৰয় হয়। কিন্তু অৰ্থ বিজ্ঞানত বজাৰ বুলিলে কোনো নিৰ্দিষ্ট ঠাইক নুবুজায়। যি সংগঠনে পণ্য (বা বস্তু) এবিধৰ ক্ৰেতা আৰু বিক্ৰেতা পৰস্পৰক সংস্পৰ্শলৈ আনি তাৰ ক্ৰয়-বিক্ৰয় সুচল কৰে তাকেই অৰ্থবিজ্ঞানত সেই পণ্য (বা বস্তু) বিধৰ বজাৰ বুলি জনা যায়। ('Briefly, they (markets) mean or organisation whereby the buyers and sellers of a good are kept in close touch with each other.' Storier A.Q. & D.C. Hague, Text book of Economic theory, ELBS, 4th ed. p-19) যেনে— মাছৰ বজাৰ, মৰাপাটৰ বজাৰ ইত্যাদি। অন্য কথাত ক'বলৈ হ'লে বজাৰ বুলিলে বস্তু এবিধৰ কিনোতা আৰু বেচোঁতাৰ মাজত লেনদেন কাৰ্য সম্ভৱ কৰি তোলা এলানি সংযোগ কেন্দ্ৰৰ সমষ্টিক বুজোৱা হয়। মন কৰিবলগীয়া যে কিনোতা আৰু বেচোঁতাই ভিন ভিন ঠাইত থাকিও কম্পিউটাৰ, মোবাইল ফোন, ই-মেইল আদিৰ যোগেদিও ক্ৰয়-বিক্ৰয় কাৰ্য সম্পাদান কৰিব পাৰে।

Scanned with CamScanner

বজাৰক বিভিন্ন ধৰণে শ্ৰেণীবদ্ধ কৰিব পাৰি। কিন্তু ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত থকা প্ৰতিযোগিতাৰ মাত্ৰাৰ ভিত্তিত বজাৰ গাঁথনিক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি ঃ

## নিভাঁজ বা নিখুঁত প্ৰতিযোগিতামূলক বজাৰ (Pure Competition)

যি বজাৰ গাঁথনিত তলত উল্লেখ কৰা চৰ্তবোৰ পূৰণ কৰে তেনে বজাৰক নিভাঁজ প্ৰতিযোগিতামূলক বজাৰ বুলি ক'ব পাৰি ঃ

- অসংখ্য ক্ৰেতা আৰু অসংখ্য বিক্ৰেতা;
- পণ্যৰ বিভিন্ন গোটসমূহ পূৰ্ণ সদৃশ বা সম্পূৰ্ণ অভিন্ন (homogeneous)
- উৎপাদন প্ৰতিষ্ঠানৰ মুক্ত প্ৰৱেশ।

## পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ (Perfect Competition)

যি বজাৰ গাঁথনিত নিখুঁত প্ৰতিযোগিতাৰ ক্ষেত্ৰত থকা তিনিটা বৈশিষ্ট্যৰ উপৰিও তলত উল্লেখ কৰা আন চৰ্তবোৰ পূৰণ হ'লে সেই বজাৰক পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ বুলি ক'ব পাৰি ঃ

- অসংখ্য ক্ৰেতা আৰু বিক্ৰেতা;
- পণ্যৰ বিভিন্ন গোটসমূহ পূৰ্ণসদৃশ বা সম্পূৰ্ণ অভিন্ন;
- উৎপাদন প্ৰতিষ্ঠানৰ মুক্ত প্ৰৱেশ। ক্ৰেতা আৰু বিক্ৰেতাই বজাৰত মুক্তভাৱে প্ৰৱেশ আৰু প্ৰস্থান কৰাত কোনো বাধা নাই;
- ক্ৰেতা তথা বিক্ৰেতাৰ বজাৰ সম্পৰ্কে সম্পূৰ্ণ জ্ঞান থাকে;
- এটা অঞ্চলৰ পৰা আন অঞ্চললৈ পণ্যবিধ অনা-নিয়াৰ কোনো পৰিবহণ খৰচ নাই;
- উৎপাদনৰ উপাদানসমূহ সম্পূৰ্ণ গতিশীল;
- পণ্যবিধ যিকোনো পৰিমাণত কিনিব বা বেচিব পাৰি;
- বজাৰৰ যোগান আৰু দামৰ ওপৰত কোনো ক্ৰেতা বা বিক্ৰেতাই এককভাৱে প্ৰভাৱান্বিত কৰিব নোৱাৰে।

Scanned with CamScanner

## ১(ক) এখন একচেটিয়া উৎপাদন প্ৰতিষ্ঠানৰ তত্ত্ব (Theory of a Monopoly Firm)

### অপূৰ্ণ প্ৰতিযোগিতাৰ ধাৰণা (Concept of Imperfect Competition)

পূৰ্ণ প্ৰতিযোগিতাৰ বাবে প্ৰয়োজনীয় চৰ্তসমূহৰ যিকোনো এটা চৰ্ত নাথাকিলেই বজাৰখনক অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ বুলি কোৱা হয়। নিখুঁত আৰু পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বাহিৰে আন সকলো বজাৰ অপূৰ্ণ প্ৰতিযোগিতাৰ অন্তৰ্ভুক্ত। অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত প্ৰতিযোগিতা অপূৰ্ণাংগ হোৱাৰ বাবেই উৎপাদন প্ৰতিষ্ঠানৰ উৎপাদিত সামগ্ৰীৰ চাহিদাই সম্পূৰ্ণ স্থিতিস্থাপকতা হেৰুৱায়। অপূৰ্ণ প্ৰতিযোগিতাৰ প্ৰকাৰবোৰ তলত উল্লেখ কৰা হ'ল—

(i) **একচেটিয়া বজাৰ (Monopoly)**

যেতিয়া ঘনিষ্ঠ প্ৰতিকল্প নথকা কোনো এটা দ্ৰব্য বা পণ্যৰ উৎপাদন বা বিক্ৰী এটা মাত্ৰ প্ৰতিষ্ঠান বা উদ্যোগীয়ে নিয়ন্ত্ৰণ কৰে, তেতিয়া তেনে অৱস্থাকে অৰ্থবিজ্ঞানত একচেটিয়া বজাৰ বোলে। একচেটিয়া বজাৰ গাঁথনি পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ গাঁথনিৰ সম্পূৰ্ণ বিপৰীত প্ৰকৃতিৰ। এই বজাৰত নতুন উৎপাদন প্ৰতিষ্ঠানৰ প্ৰৱেশ নিষেধ; ইয়াত এজন বিক্ৰেতা থাকে আৰু তেঁৱেই বজাৰৰ যোগান আৰু দৰ নিৰ্ণয় কৰে। গতিকে একচেটিয়া বজাৰত এজন বিক্ৰেতাই বজাৰখন সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন কৰি অস্বাভাৱিক উচ্চহাৰত লাভ অৰ্জন কৰাৰ সুযোগ পায়।

(ii) **দ্বয়াধিকাৰ বজাৰ (Duopoly)**

যিখন বজাৰত দুখন উৎপাদন প্ৰতিষ্ঠানে একেবিধ বস্তুৰ সম্পূৰ্ণ যোগান নিয়ন্ত্ৰণ কৰে তেনে বজাৰ গাঁথনিক দ্বয়াধিকাৰ বজাৰ বুলি কোৱা হয়।

Scanned with CamScanner

এনে বজাৰতো অস্বাভাৱিক লাভ অৰ্জন কৰাৰ সুযোগ আছে।

**(iii) স্বল্পাধিকাৰ বজাৰ (Olisopoly)**

যি বজাৰত দুটাতকৈ অধিক, কেৱল কেইটামান মুষ্টিমেয় প্ৰতিষ্ঠান বেচোঁতাস্বৰূপে থাকে তেতিয়া তেনে বজাৰ গাঁথনিক স্বল্পাধিকাৰ বজাৰ বোলা হয়। ভাৰতৰ মটৰ গাড়ী উৎপাদন কৰা উদ্যোগ স্বল্পাধিকাৰ বজাৰৰ এক অন্যতম উদাহৰণ। এই বজাৰত প্ৰতিষ্ঠানবোৰে উৎপাদিত বস্তু সম্পূৰ্ণ একেও নহয় আৰু অথচ সম্পূৰ্ণ ভিন্নও নহয়।

**(iv) একক ক্ৰেতাৰ বজাৰ (Monopsony)**

যি বজাৰত পণ্য এবিধৰ বহুতো বিক্ৰেতা আৰু এজনহে ক্ৰেতা থাকে তেনে বজাৰক একক ক্ৰেতাৰ বজাৰ বোলা হয়।

**(v) দ্বিপাক্ষিক একাধিকাৰ বজাৰ (Bilateral Monopoly)**

একমাত্ৰ বিক্ৰেতা আৰু একমাত্ৰ ক্ৰেতা থকা বজাৰ গাঁথনিক দ্বিপাক্ষিক একাধিকাৰ বজাৰ বুলি জনা যায়। উদাহৰণস্বৰূপে, শ্ৰম যোগানধাৰী শ্ৰমিকসকলে শ্ৰমিক সংঘ গঠন কৰি একক বিক্ৰেতা যেনেকৈ হ'ব পাৰে ঠিক তেনেকৈ উৎপাদনকাৰীসকলেও সংঘবদ্ধ হৈ শ্ৰমিকৰ একমাত্ৰ নিয়োগকৰ্তা (ক্ৰেতা) হৈ পৰিব পাৰে।

**(vi) একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰ (Monopolistic Competition)**

সমজাতীয় কিন্তু একেবাৰে একে সমগুণ বিশিষ্ট নোহোৱা বস্তু এবিধ উৎপাদন আৰু বিক্ৰী কৰা সীমিত সংখক প্ৰতিদ্বন্দ্বী প্ৰতিষ্ঠানেৰে গঠিত বজাৰ গাঁথনিক একাধিকাৰ প্ৰতিযোগিতামুলক বজাৰ বোলা হয়। উদাহৰণস্বৰূপে, গা-ধোৱা চাবোন, টুথপেষ্ট আদি সামগ্ৰী উৎপাদন কৰা প্ৰতিষ্ঠানসমূহৰে গঠিত বজাৰসমূহ একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ দৃষ্টান্ত।

Scanned with CamScan